Book No.........
Sonari College Library

# আখৰা

সোণাৰি মহাবিদ্যালয়ৰ সাময়িক পত্ৰিকা, ২০০৮

[সোণাৰি মহাবিদ্যালয়ৰ IQAC(Internal Quality Assurance Cell)ৰ দ্বাৰা প্ৰকাশিত ]



Book No.........................
Sonari College Library

# আখৰা

সোণাৰি মহাবিদ্যালয়ৰ সাময়িক পত্ৰিকা, ২০০৮

[সোণাৰি মহাবিদ্যালয়ৰ IQAC(Internal Quality Assurance Cell)ৰ দ্বাৰা প্ৰকাশিত ]

সোণাৰি মহাবিদ্যালয়
তেজস্বি নৱধিতমস্তু
SONARI COLLEGE

প্ৰতি,

আখৰা ঃ সোণাৰি মহাবিদ্যালয়ৰ সাময়িক পত্ৰিকা, ২০০৮
[সোণাৰি মহাবিদ্যালয়ৰ IQAC(Internal Quality Assurance Cell)ৰ দ্বাৰা প্ৰকাশিত ]

**সম্পাদনা সমিতি ঃ**

**চেয়াৰমেন ঃ**
ড° ৰাজেন তামুলী

**সমন্বয়ক ঃ**
অৰ্পণ কুমাৰ বৰুৱা

**শিক্ষক সদস্য ঃ**
মাণিক গগৈ
ড° ৰাণা কোঁৱৰ
সুনীল দত্ত
সুশীল চুড়ী
পৰানন কোঁৱৰ
ৰঘুনাথ কাগয়ুং

**ছাত্ৰ-সদস্য ঃ**
ননী মাধৱ ফুকন
অভিজ্ঞান অনুভৱ
সৌৰভজ্যোতি চেতিয়া
চন্দন লাহন
চন্দ্ৰ বাইলুং

**সামগ্ৰিক পৰিকল্পনা ঃ**
ৰঘুনাথ কাগয়ুং

**মুদ্ৰণ ঃ**
পাহি অফচেট প্ৰেছ
কলেজ ৰ'ড, মৰাণহাট
✆ ০৩৭৫৪-২২৮২৩৫




OFFICE OF THE PRINCIPAL

# SONARI COLLEGE

**P. O. : Sonari, Dist. : Sivasagar (Assam)**
**PIN : 785 690**
**ESTD : 1970**
e-mail : principalsnrcoll@yahoo.com
Web site : www.sonaricollege.org
Ph. No. 03772 256515 (O)
Fax No. 03772 256515


Ref. No. ..........................  Date : 15/12/08

Message

It gives me pleasure to know that H.S. 2nd yr students (Arts & Sc) are going to publish a mini size magazine to bring into book the writings of their talents. The effort has marked a new epoch in the annals of Sonari College.

I express my best wishes to them

Dr. Rajen Tamuli
Principal
Sonari College

## সূচীপত্ৰ


- সম্পাদনা কক্ষৰ পৰা /৫
- বন্ধুত্ব ❉ ৰাজশ্ৰী গগৈ /৭
- বনাঞ্চল, প্ৰদূষণ, সংৰক্ষণ ❉ শ্যামলীমা গগৈ /৯




**কবিতা ঃ**


- নিষ্ঠুৰ স্পন্দনবোৰ... ❉ অভিজ্ঞান অনুভৱ /১২
- শৈশৱৰ সেউজী সুৰ ❉ সৌৰভজ্যোতি চেতিয়া /১৩
- হৃদয় ❉ বিজিত গগৈ /১৩
- হঠাৎ লগ পাইছিলোঁ অপৰাজিতাক ❉ চন্দন লাহন /১৪
- এটা হেৰুৱা দিনৰ কবিতা ❉ তুম্পা শৰ্মা /১৪
- তোমাৰ জোনাক বাগিছাখনি ❉ চন্দ্ৰ বাইলুং /১৫
- যদিও বহুদূৰ ❉ ননীমাধৱ ফুকন /১৫
- হৃদয় ❉ হৰিনাথ গায়ন /১৬
- সন্ধ্যা যেতিয়া নামে ❉ চন্দন দাস /১৬
- শৰতৰ পথাৰত সেউজীয়া গোন্ধ ❉ চক্ৰধৰ বাইলুং /১৭
- সমাজ ❉ পৰিস্মৃতা গগৈ /১৭
- জটিল জগত ❉ প্ৰিয়ংকা শৰ্মা /১৮
- সপোন ❉ বিজয়া তাঁতী /১৮
- এখন প্ৰতিবেদন ঃ শান্তিৰ সন্ধান ❉ ঋতুৰাজ সিং /১৯
- স্তব্ধ আশা ❉ তুলুমণি বৰগোহাঁই /১৯
- বন্ধু উভতি আহিবা ❉ মনচুৰ আহমেদ /২০
- সোণাৰি কলেজ ❉ ৰাজশ্ৰী গগৈ /২০
- Die for your Country ❉ Mehjbin Akhtar Rohman /২০


**গল্প ঃ**


- প্ৰত্যাৱৰ্তন ❉ চিমি বৰগোহাঁই /২১
- প্ৰায়শ্চিত্ত ❉ নিৰ্মল কুমাৰ গগৈ /২৩




**গ্ৰন্থ আলোচনা**


- অনুৰাধা, ডেনিচ, ডালভিহঁতৰ কথাৰে... ❉ স্মৃতিৰেখা চেতিয়া /২৬

- Importance of Mother Tongue as Medium of Instruction ❉ Annesha Koinyaki Konwar /২৮
- Pollution ❉ Neelam Agarwalla /৩০
- Black Holes ❉ Asha Devi /৩২
- Energy Crisis ❉ Airin Buragohain /৩৪
- Beaware Catlovers! ❉ Swapnali Hazarika /৩৬




# সম্পাদনা কক্ষৰ পৰা.....

সূৰ্য্যৰ সোণোৱালী ৰৌদ্ৰস্নানেৰে শ্যামল সেউজ ভাৰতৰ সূৰ্য্যোদয়ৰ দেশ অসম। এই অসম ৰাজ্যৰ জন্মলগ্ন আৰু জন্মবৃত্তান্তৰ বিষয়ে জানিবলৈ গৈ ইতিহাসৰ পাত লুটিয়ালেই পাওঁ, অসমৰ সৌন্দৰ্য্য, বিশালতা আৰু সমৃদ্ধতাৰ কাৰণেই বিভিন্ন সময়ত বিভিন্ন বহিৰাগত জনসমদলৰ এই সূৰ্য্য উঠা দেশৰ বুকুলৈ আগমন ঘটিছিল আৰু ফলত বিভিন্ন ভাষা-ভাষী, জাতি-জনজাতিয়ে বুঢ়া লুইতৰ দুয়োপাৰ অধিক জাতিষ্কাৰ কৰি তুলিছিল। সময়ৰ সোঁতত উটি আহি অসমৰ মাটিকে আপোন কৰি কৰি লোৱা এই বহিৰাগত দলবোৰৰ প্ৰত্যেকেই কঢ়িয়াই লৈ আহিছিল নিজস্ব এটি ভাষা সাহিত্য আৰু সংস্কৃতিৰ ভঁড়াল। সময়ে বাগৰ সলোৱাৰ লগে লগে এই বহিৰাগত দলবোৰে নিজৰ সাংস্কৃতিক ভড়ালৰ থুনুপাক সম্পূৰ্ণৰূপে ৰুদ্ধদ্বাৰ কৰিব নোৱাৰিছিল আৰু কালক্ৰমত দিয়া লোৱা পদ্ধতিৰেই উদ্দীপ্ত হৈছিল অসমীয়া ভাষা সংস্কৃতি। ইয়াতেই সৃষ্টি অসমীয়া ভাষাৰ যুগমীয়া ইতিহাসখনি। এই ইতিহাসখনে চাওঁতে চাওঁতে অসমীয়া ভাষাৰ লগত লগ হৈ গৰকি মাৰি থৈ আহিল এহেজাৰটা বছৰ। আগুৱাই আহিল অসমীয়া জাতি, সমন্বয়ৰ মাধ্যমেৰে সৃষ্টিত বাৰেবৰণীয়তা হানি এক বিৰাট জনসমদলৰ আন্ধাৰৰ পৰা আলোকলৈ যেন দৃষ্টিনন্দন শোভাযাত্ৰা। আৰু আজি আমি অষ্টমাবিংশতম বৰ্ষৰ এই নিৰ্দিষ্ট দিনটোৰ এজন এজন নতুন পুৰুষ আৰু এই শোভাযাত্ৰাৰ মাজেৰে একো একোজন দায়িত্বনিহিত আলোক অন্বেষী সদস্য।

সাহিত্য হৈছে কোনো এটা জাতিৰ নিজস্ব ভাষাবৃক্ষৰ সুগন্ধিময় পুষ্প। ইয়াতে প্ৰতিফলিত হয় কোনো জাতিৰ অতীত, বৰ্তমান আৰু সম্ভাৱনাপূৰ্ণ ভৱিষ্যতৰ ইংগিত। জাতীয় জীৱনৰ দৰ্শন, ক্ৰমবিকাশ, চিন্তা-ভাৱনাৰ ধাৰ, আশা-আকাংক্ষা, আনন্দ-হৰ্ষ-বিষাদ, জীৱন বীক্ষা, মানসিক প্ৰগতিৰ ইতিহাস আদি কোনো জাতিৰ সাহিত্য দৰ্পণতে মূৰ্ত হৈ উঠে। ব্যক্তিগত ধ্যান-ধাৰণাৰ পৰা কওঁ কোনো জাতিৰ কলমত এটা সুস্থ আৰু সংস্কাৰধৰ্মী সাহিত্যতে তেতিয়ালৈকে উপলব্ধ হৈ থাকিব ; যেতিয়ালৈকে ভাষা থাকিব আৰু ভাষা জীয়াই থাকে মানে জাতিৰ অস্তিত্বও থাকিব। ভাষা সাহিত্যৰ পথাৰখন সৃষ্টিৰ এজাক সোণাৰু ফুলীয়া বৃষ্টিৰে চিৰদিন জীপাল কৰি ৰাখি ভাষাবৃক্ষৰ দুবাহুত কৃষ্টিৰ মধু সুবাসিত পুষ্পপাহি চয়ন হ'বলৈ দিবলৈ হ'লে আমি প্ৰত্যেকজন ছাত্ৰ সদস্যই ছাত্ৰ অবস্থাতে ইয়াৰ উপযুক্ত চৰ্চা কৰি ভাষাৰ শুদ্ধতা আৰু সুস্থতা বজাই ৰাখাতো সকলোৰে বাবে খুবেই প্ৰয়োজন। বোধকৰো সমসাময়িক সময়ত মোৰ শিক্ষানুষ্ঠানখনে এনে এটি অভাৱত বিৰাট ভাবে ভুক্তভোগী, যিটো যোৱা ৩৮ টা বছৰৰ এটি ফলাফল আৰু ভবিষ্যতৰ এটি সম্ভাৱনাপূৰ্ণ সাহিত্য দুৰ্যোগ্যৰ কাৰণ হৈ উঠিব পাৰে। সেয়েহে মহাবিদ্যালয়ৰ উচ্চতৰ মাধ্যমিক পৰ্যায়ত এখন সুস্থ সাহিত্য সমাজ খুবেই প্ৰয়োজন আছিল বুলি মই ভাবোঁ। সাহিত্য চৰ্চাৰ দিশত উচ্চতৰ মাধ্যমিক পৰ্যায়ৰ প্ৰায় চতুৰ্শতাধিক ছাত্ৰ সতীৰ্থ এটা উপযুক্ত সময়ত আগবাঢ়ি যাব পৰা নাছিল। সেয়ে তেওঁলোকৰ মানসিক প্ৰগতিৰ গতিত পৰিবৰ্তন অনাৰ আশংকা কৰিব পৰাৰ লগতে জ্ঞানৰ উৎকৰ্ষ সাধনতো বাধা আৰোপ কৰিছিল। ফলস্বৰূপে মহাবিদ্যালয়ৰ শৈক্ষিক পৰিৱেশতো আঘাত সানিছিল। যিটো সময়ত যুৱচাম কবি সাহিত্যিকক আগুৱাই আনিব লাগে বুলি, অসমীয়া ভাষা সাহিত্যত তেওঁলোকৰ বাবেও এটা সাহিত্যমঞ্চ দিব লাগে বুলি অসম সাহিত্য সভাকে ধৰি অসমৰ

বিশিষ্ট চিন্তাবিদ আৰু ভাষাতত্ত্ববিদসকলৰ অনুভৱ হৈছিল; তেনে সময়ত আমাৰ এই ক্ষুদ্ৰ প্ৰচেষ্টা সম্পূৰ্ণ প্ৰাসংগিক পদক্ষেপ বুলি মই ভাবোঁ। মহাবিদ্যালয়ৰ উচ্চতৰ মাধ্যমিক পৰ্যায়লৈ এটি প্ৰতিবাদী চিন্তাৰ ঢল বোৱাই আনি এটি সুস্থ শৈক্ষিক পৰিবেশৰ লগতে এখন বৈপ্লৱিক সমাজ গঢ়ি তুলিবলৈ যি পদক্ষেপ হাতত লৈছোঁ; আশাকৰোঁ, আপোনালোকৰ প্ৰচেষ্টাত অনাগত দিনবোৰত ই সাৰ্থক ৰূপ পাব। মহাবিদ্যালয়ৰ সাহিত্য জগতত এটা নতুন যুগৰ সূচনা হ'ল। ৩৮ বছৰীয়া মহাবিদ্যালয়ৰ ইতিহাসক সাক্ষী কৰি আশা কৰোঁ ভবিষ্যতৰ দিনবোৰত এই আলোচনী খনে এটা গৌৰৱ-উজ্বল অধ্যায়ৰ প্ৰযোজনা কৰিব আৰু মহাবিদ্যালয়ৰ বাবে এটা স্বপ্নবিতুল দিগন্তৰ দিশ নিৰ্ধাৰণ কৰিব। হয়তো এদিন ৰাষ্ট্ৰ পৰ্য্যায়ৰ সীমা চেৰাই অন্তঃৰাষ্ট্ৰীয় পৰ্যায়ত ইন্ধন যোগাব। অপৈণত আৰু অ-সংগঠিত চিন্তা কৌশলেৰে তাতে অবৈয়াকৰণিক আৰু ভাষাতত্ত্বজ্ঞানহীন সম্পাদকৰ হাতত আলোচনীখনৰ জন্ম হোৱাটোৱে কলা আৰু কৌশলেৰে কিমানদূৰ সফলতাৰ মুখ দেখিছে সেয়া আপোনালোকৰ বিচাৰ্য্যৰ বিষয়। উচ্চতৰ মাধ্যমিক দ্বিতীয় বাৰ্ষিকৰ মোৰ সতীৰ্থসকলৰ যি কষ্ট, আগ্ৰহী প্ৰচেষ্টা, বৈপ্লৱিকসমাজ দেখিলোঁ আৰু যেনেদৰে চিন্তা চৰ্চা আৰু বিচাৰ-বুদ্ধিৰে আলোচনীখন ইমান কম সময়তে প্ৰকাশ কৰি উলিয়ালে তাৰবাবে সকলোকে মোৰ আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ। মহাবিদ্যালয়ৰ অধ্যক্ষ মহোদয়, শ্ৰদ্ধেয় ড° ৰাজেন তামুলী ছাৰ, অসমীয়া বিভাগৰ অধ্যাপক শ্ৰদ্ধেয় শ্ৰীযুত ৰঘুনাথ কাগয়ুং ছাৰকে প্ৰমুখ্য কৰি কলা আৰু বিজ্ঞান সমূহ শিক্ষাগুৰুলৈ শ্ৰদ্ধা আৰু আন্তৰিক ধন্যবাদ জ্ঞাপন কৰিছোঁ।

সূৰ্য্যৰ সোণালী কিৰণে প্ৰথম প্ৰভাততে চাওঁ বুলি আহিছে তোমাক আই। পাহৰি গ'লানেকি যোৱা ৰাতিৰ 'ম্যুন ডুন চ্যুন খাম'ৰ সপোনবোৰ? পাটকাইৰ কেঁচা কুহেলিকা ফালি লুইতৰ চাপৰিৰ বননি ডৰা গছকি গছকি যেন আহিব ধৰিছে শৌৰ্যবীৰ্য্যৰ দিবাকৰ। লুইতৰ ভটিয়নী বুকুত নাও মেলি দিছেহি শদিয়াৰ পৰা ধুবুৰীলৈকে প্ৰতিজন কৃষক, বনুৱা, হালোৱা, হাজোৱাৰ বুকুত ঢালি থৈ আহোঁগৈ বুলি সাহসৰ সঞ্জীৱনী। ব'লা বান্ধৈ আগুৱাই যাওঁ ভাৰতৰ সূৰ্য্য উঠাৰ দেশৰ বেলিটোক আদৰি আনোগৈ। হয়তো তেওঁ কঁকালৰ জুলুঙাত আমালৈ বুলি আনিছে আকাশ ফালি আহোত ডাৱৰৰ ফাঁকৰ পৰা আনে নেদেখা সপোনবোৰ। মাৰা বান্ধৈ তোমাৰ ঢোলত আদৰণি চাপৰ, মই দিম ম'হৰ শিঙাত সুৰৰ লহৰ। আৰু সৌৱা চোৱা বৰাক নদীৰ পাৰলৈ। আহিব ধৰিছে আগুৱাই এক অন্তহীন; কল্পনাতীত অদৃশ্য শক্তি। ব'লা আমি আগুৱাই যাওঁ একেলগে সু-সমন্বয়ৰ বুকুত বিলীন হৈ হিংসা বিদ্বেষৰ কুটিল নিবন্ধন ভাঙি। প্ৰতিদিনাই লুইতৰ ভটিয়ানি নাৱে কঢ়িয়াই আনিছে এটি দুটিকে কেবাটাও হৃদয়াস্পন্দন আমাৰ মাজলৈ। ব'লা সখী সেই স্পন্দনক কামেৰে দিবলৈ শিকাওঁ চিনাকি, চৰিত্ৰৰে দিবলৈ শিকাওঁ পৰিচয়, সুবিশাল শৰীৰত লবলৈ দিওঁ পঞ্চানুভুতিৰ সচাঁ আমেজ আৰু জীৱনটোক ধৰি ল'বলৈ কওঁ অভিজ্ঞতা বুলি। অমৰ আত্মা লগা এটা দেহৰ সৌন্দৰ্য্যৰ ৰহস্যখচিত হাঁহি হওক মোৰ জন্মভূমিখনি। সত্যৰ পম খেদি গৈ অসীমত হেৰাই যোৱা আৰু দিগন্তৰ বুকুত বহি আমালৈ অপেক্ষা কৰি থকা সপোনবোৰক বাস্তৱেৰে ঐশ্বৰিকতা সনা ৰূপসজ্জা দি লুইতৰ বালিৰ নামত সমাধিস্থ, আৰু বায়ুত এটা চিনাকি মন ব'বলৈ উপদেশ দিয়া, এটা আদৰ্শৰ প্ৰলেপ সনা অমৰত্ব। এইয়ে হ'ব;

মোৰ পবিত্ৰ কাননভূমি,
পুষ্পিত হ'ব প্ৰজ্ঞাৰ পাৰিজাত পুষ্প পাহি;

**ননীমাধৱ ফুকন**
বিজ্ঞান শাখা,
উঃমাঃ দ্বিতীয় বৰ্ষ।



# বন্ধুত্ব

ৰাজশ্ৰী গগৈ
দ্বিতীয় বৰ্ষ

বন্ধুত্বঃ বন্ধু অথবা বন্ধুত্ব হ'ল এনে যুগমীয়া চিৰস্মৃতি দুজন ব্যক্তিৰ মাজৰ মনৰ মিলন ঘটা মৰমৰ মাথোঁ এটি সৰু শব্দ বন্ধুত্ব তাতেই নিহিত হৈ থাকে হৃদয়ৰ সকলোবোৰ মৰম, চেনেহ আন্তৰিক কথা-ভাবৰ ধাৰা, সূক্ষ্ম অনুভূতি মৰম দায়ৱদ্ধতা বিশ্বাস, শ্ৰদ্ধা কৰা, পৰস্পৰে পৰস্পৰ সুখ দুখৰ সমভাগী হোৱা বন্ধুত্বই দিব পাৰে জীৱনৰ প্ৰেৰণা, উৎসাহ আদি। অবশ্য বন্ধুৰ অভাৱ নাই; কিন্তু অভাৱ প্ৰকৃত বন্ধুৰহে। সেয়েহে কথাতে কোৱা হয় বিপদৰ বন্ধুহে প্ৰকৃত বন্ধু। সুখ-দুখ পোৱা-নোপোৱা সফলতা ব্যৰ্থতা আদি নিঃস্বাৰ্থ ভাৱে অকপটে বিনিময় কৰিব পাৰোঁ বন্ধুৰ সৈতে। আমাক সাহস, প্ৰেৰণা আৰু উৎসাহ প্ৰদান কৰি জীৱনৰ কাঁইটীয়া পথটো নিৰ্বিঘ্নে শুদ্ধ পথৰ সন্ধানৰ দিশলৈ লৈ যায় আমাক। জীৱনৰ সকলোবোৰ জটিলতাৰ সৈতে সাহসেৰে মুখামুখি হ'বলৈ বন্ধুৱে আমাক শিকায় আমাৰ ভুলবোৰ দেখিও নেদেখাৰ ভাও জোৰাজন প্ৰকৃত অৰ্থত কেতিয়াও বন্ধু হ'ব নোৱাৰে। হাজাৰ বিজাৰ বিপদৰ সময়তো বন্ধুৱে আমাক কেতিয়াও অকলশৰীয়া কৰিথৈ নাযায়। সুখৰ দিনৰ বন্ধুজনক যেনেকৈ আমি নিচেই কাষত পাওঁ ঠিক তেনেকৈ দুখৰ দিনতো আমাৰ ছাঁটোৰ দৰেই কাষত থাকে তেওঁ। প্ৰকৃত বন্ধু হ'বলৈ কিছু ত্যাগো স্বীকাৰ কৰিব লাগিব। বন্ধু এনে এটা শব্দ যিটো দুটা শব্দৰে গঠিত, শুনিলে আমি মনত এটা মিঠা আমোদ পাওঁ। আমাৰ প্ৰত্যেকৰে জীৱনত বন্ধু বিচাৰোঁ নিজৰ সুখ-দুখৰ মনৰ ভাবসমূহ ব্যক্ত কৰিবলৈ। কোনেও অকলশৰীয়া জীৱন আশা নকৰে। কোৱা হয় য়ে বন্ধুত্বই স্থান-কাল-পাত্ৰ বিচাৰ নকৰে। সেয়ে যিকোনো পৰিৱেশতেই দুজন ব্যক্তিৰ মাজত বন্ধুত্ব গঢ় লৈ উঠিব পাৰে। বন্ধুত্ব গঢ়াৰ কোনো নিৰ্দিষ্ট বয়স নাই। সকলো ব্যক্তিৰ লগত বন্ধুত্ব গঢ়িব পাৰি যেনেঃ- সৰু ল'ৰা-ছোৱালীয়ে নিজৰ পিতৃ-মাতৃৰ লগত, ককাই-ভাই, বাই-ভনী, খুৰা-খুৰী, শিক্ষা গুৰু আদি লগত। বৃদ্ধ বয়সীয়া ব্যক্তিয়ে কম বয়সীয়া ব্যক্তিৰ লগত নিজৰ সমনীয়া ছাত্ৰ-ছাত্ৰীৰ লগত, সকলো ব্যক্তিয়ে নিজৰ ইচ্ছামতে বন্ধুত্ব গঢ়িব পাৰে। বাছ যাত্ৰা, ৰেল যাত্ৰা, বিয়া-সবাহ আদিত চিনাকী হোৱা দুজন ব্যক্তিৰ মাজতো পিছলৈ বন্ধুত্ব গঢ়লৈ উঠা দেখা যায়। তদুপৰি বন্ধুত্বই লিঙ্গ পাৰ্থক্যও বিবেচনা নকৰে। পুৰুষ-নাৰীৰ মাজত গভীৰ বন্ধুত্ব গঢ়লৈ উঠা দেখা যায়। অবশ্যে আমাৰ ৰক্ষণশীল সমাজে এতিয়াও পুৰুষ নাৰীৰ বন্ধুত্বক সহজভাবে স্বীকাৰ কৰি ল'ব নোখোজে, সকলোৱে ভাবে পুৰুষ-নাৰীৰ মাজত প্ৰেম হ'ব পাৰে, বন্ধুত্ব কেতিয়াও হ'ব নোৱাৰে। কিন্তু এক অমূলক আৰু ভ্ৰান্ত ধাৰণা বুলিয়েই আমি বিবেচনা কৰোঁ। কিয়নো বন্ধুত্বৰ পৰা প্ৰেমৰ সৃষ্টি হ'লেও সকলোবোৰ বন্ধুত্বই প্ৰেমলৈ ৰূপান্তৰ নহ'বও পাৰে। বহুতো নাৰী-পুৰুষৰ মাজত এনেকুৱা বন্ধুত্বও আছে যি প্ৰেমৰ অনুৰণন নোহোৱা কৈ বন্ধুত্বত কালিমা নসনাকৈ চিৰদিন বন্ধুত্বৰ পবিত্ৰ ডোলেৰে বান্ধ খাই আছে। তেনেকুৱা বন্ধুত্ব আমাৰ বাবে চিৰদিন আদৰণীয় আৰু আদশৰ্নীয় প্ৰকৃত বন্ধুত্ব ধনী-দুখীয়াৰ ওপৰত ভিত্তি কৰি গঢ়লৈ নুঠে। প্ৰকৃত বন্ধুত্ব গঢ়লৈ উঠে পৰস্পৰৰ মাজত মনৰ মিলনৰ ফলত যিজন মানুহৰ কোনো বন্ধু নাই তেওঁ মানসিক অন্তৰ্দ্বন্দত ভোগে। যদি কোনো ব্যক্তিয়ে এজনে কথা গোপনে ৰাখিবলগীয়া হয় তেনেহ'লে তেওঁ মানসিক চাপৰ বলি হয়, কিন্তু বিশ্বাসী বন্ধু এজন থাকিলেই ইয়াৰ

ফল নিশ্চয় অনুমান কৰিব পাৰি। বন্ধুত্ব গঢ়া যিমানেই সহজ, সেই বন্ধুত্বক জীয়াই ৰখাটো সিমানেই কঠিন। বন্ধুত্ব জীয়াই ৰখাৰ সৰ্ব্বপ্ৰথম চৰ্ত হৈছে বিশ্বাসবোৰ জীয়াই ৰখাটো পৰস্পৰৰ ওপৰত বিশ্বাস ৰাখিব লাগিব অপৰিসীম, বন্ধুৰ বিশ্বাস ভঙ্গ হ'ব পৰা একো কামেই আমি কৰিব নালাগিব। বিশ্বাস ভঙ্গ হ'ব পৰা কিবা কথা বা কামৰ উদ্ভৱ হ'লেই আমি প্ৰত্যক্ষ ভাবে সুধিব লাগিব সকলোবোৰ, তেতিয়াহে সকলোবোৰ কথা স্পষ্ট হ'ব আৰু বিশ্বাসবোৰ ভঙ্গ নোহোৱাকৈ থাকি যাব। কেতিয়াবা দেখা যায় যে দুজনৰ মাজত বন্ধুত্বৰ গভীৰতা দেখি আনে ঈৰ্ষান্বিত হৈ উঠে আৰু সেই বন্ধুত্ব ভাঙিবলৈ উঠি পৰি লাগে। এনেকুৱা পৰিস্থিতিতো আনৰ কথালৈ অকণো গুৰুত্ব নিদি দুয়োৰে মাজত থকা বিশ্বাসৰ পবিত্ৰ এনাজৰীবোৰ আকোঁৱালি ধৰি থাকিব লাগে। বৰ্তমান সময় সকলোৰে বাবে অতি ব্যস্ততা আৰু প্ৰতিযোগিতাৰ সময়। অতি ব্যস্ততাৰ বাবে সময়ৰ নাটনি হৈ পৰে। কিন্তু আমি জীৱনৰ ব্যস্ততাবোৰৰ পৰা অলপ সময় চুৰ কৰি হ'লেও বন্ধুৰ বাবে সময় উলিয়াব লাগে। দিনটোৰ বা সপ্তাহটোৰ অকণমান সময় বন্ধুৰ সৈতে নিৰলে বহি হৃদয়ৰ কথাবোৰ ঠাই বিনিময় কৰিব লাগে তেতিয়াহে আহিব মনলৈ প্ৰচুৰ কৰ্ম,প্ৰেৰণা, সাহস আৰু শক্তি। বন্ধু আমাৰ বাবে সদায় প্ৰেৰণাৰ চিৰ-প্ৰবাহ এক বোৱতী নদী স্বৰূপ। কালিমা নসনাকৈ চিৰদিন বন্ধুত্বক জীয়াই ৰাখিব লাগে।

***

নাহাঁহিব

০ মোৰ সৰু ল'ৰাটো যে কি হ'বগৈ। নেওঁতা মাতিবলৈ দিলে একৰ পৰা এঘাৰলৈকেহে মাতিব পাৰে। কি হ'বগৈ জানো!

: চিন্তা নকৰিবা। ফুটবল খেলৰ ৰেফাৰী হ'ব পাৰিব। এঘাৰতকৈ বেছি নেজানিলেও চলিব।

০ তেওঁ একেদিনাই তিনিটা পাৰ্টীত এটেণ্ড কৰিছিল। প্ৰথমটো পাৰ্টীত গৈ তেওঁ হাত এখন ভাঙিলে; দ্বিতীয়টোত ভৰি এখন ভাঙিলে।

: তৃতীয়টো পাৰ্টীত কি তেওঁ ইহলীলা সামৰিলে?

: নহয়, তৃতীয়টোত গৈ থাৰ্ডপাৰ্টী ইঞ্চুৰেঞ্চ পেমেন্ট উলিয়ালে।

জোনালী মুছাহাৰী

উ:মা: ২য় বৰ্ষ (কলা)





# বনাঞ্চল, প্ৰদূষণ, সংৰক্ষণ

শ্যামলীমা গগৈ

উঃ মাঃ দ্বিতীয় বৰ্ষ, কলা শাখা

সাম্প্ৰতিক কালত সমগ্ৰ বিশ্বতে জাগৰণ সৃষ্টি কৰা এটি বিষয় হ'ল পৰিবেশ প্ৰদূষণ। ইয়াৰ ফলস্বৰূপে সমগ্ৰ প্ৰকৃতি ৰাজ্যৰ লগতে মানৱ জাতি যে ধ্বংসৰ গৰাহত তাত নিশ্চয় কাৰো দ্বিমত নাই। আমাৰ আগমন ঘটাৰ বহু পূৰ্বেই কোটি বছৰ আগতে উদ্ভিদ আৰু প্ৰাণীকূলৰ জন্ম হৈছিল। ঘন অৰণ্যৰে আৱৰা আৰু নানা প্ৰজাতিৰ বন্য জীৱ-জন্তুৰে ভৰা পৃথিৱীৰ বুকুলৈ এদিন মানুহৰ আগমন ঘটিল। অৰণ্যবাসী গুহাবাসী মানুহে নিজৰ মৌলিক প্ৰয়োজন পূৰাবলৈ চৌদিশে পৰ্য্যাপ্ত পৰিমাণে পোৱা নানা তৰহৰ ফলমূল আৰু অনেক প্ৰজাতিৰ জীৱ-জন্তুৰ চিকাৰ কৰি তাৰ মাংস ভক্ষণ কৰি ক্ষুধা নিবাৰণ কৰিছিল। সেইসময়ত জনসংখ্যা কম আছিল বাবে বিনষ্ট সম্পদৰ ঋণাত্মক প্ৰভাৱ পৃথিৱীত পৰা নাছিল। কিন্তু সভ্যতাৰ ক্ৰমবিকাশৰ লগে লগে জনসংখ্যা বৃদ্ধি হ'ল আৰু এই বৰ্দ্ধিত জনসংখ্যাৰ মৌলিক প্ৰয়োজন সমূহ পূৰাবলৈ বনাঞ্চলৰ ওপৰত তীব্ৰ হেঁচা পৰিবলৈ ধৰে। আনফালে বিংশ শতাব্দীৰ আধুনিক মানৱে মৌলিক প্ৰয়োজন সমূহ পূৰোৱাতকৈ বনজ-সম্পদ আহৰণতহে অধিক গুৰুত্ব দিয়াত দিনে দিনে লুপ্তহৈ আহিব ধৰে বনাঞ্চলসমূহ আৰু তাত থকা উদ্ভিদ অথবা বন্যপ্ৰাণী সমূহ। এটা সমীক্ষা মতে পৃথিৱীৰ পৰা প্ৰায় প্ৰতিদিনে ৩১,০০০ হেক্টৰত কৈ অধিক বনাঞ্চল বিলুপ্ত হৈ আছে। আমাৰ দেশ ভাৰতত ইয়াৰ হাৰ প্ৰতি ছেকেণ্ডত ২৩৩ বৰ্গ মি। এই হাৰত বনাঞ্চল বিলুপ্ত হ'ব লাগিলে সন্দেহ নাই যে পৃথিৱীৰ প্ৰাকৃতিক সৌন্দৰ্য অতি সোনকালে ধ্বংস হ'ব।

সন্দেহ নাই ব্যাপক জনবিস্ফোৰণ, নাগৰীকৰণ, তথা উদ্যোগীকৰণৰ পৰিণতিতে আজি পৃথিৱীৰ বনাঞ্চলসমূহ দ্ৰুত গতিত সংকুচিত হ'ব ধৰিছে। যাৰ ফলত বন্যপ্ৰাণীসমূহ খাদ্য আৰু আবাসভূমিৰ সংকটত ভুগিছে, প্ৰকৃতি দত্ত জৈৱ-জগজখন ক্ৰমশঃ বিলুপ্ত হ'ব ধৰিছে আৰু পৃথিৱীত মানৱ জাতি অকলশৰীয়া হ'ব ধৰিছে। অথচ জৈৱ-জগতক বাদ দি কেৱল মানৱ সমাজ পৃথিৱীত বৰ্তি থকাটো সম্ভৱ নহয়।

সমগ্ৰ বিশ্বতে এই পৰিবেশ প্ৰদূষণ সমস্যা ব্যাপক হৈ পৰিছে যদিও ভাৰতকে ধৰি তৃতীয় বিশ্বৰ দেশসমূহ এই ক্ষেত্ৰত সকলোতকৈ আগবঢ়া। ইয়াৰ মূল কাৰণ যদিও জনসংখ্যা বৃদ্ধি তথাপিও এই ক্ষেত্ৰত তাৎপৰ্যপূৰ্ণ ভাৱে মন কৰিবলগীয়া যে, বিশ্বৰ ধনী দেশবোৰত বৃদ্ধি হোৱাৰ সত্বেও তৃতীয় বিশ্বৰ দেশত হোৱা নিচিনাকৈ প্ৰকৃতিৰ ওপৰত ইমান অত্যাচাৰ ধনীদেশবোৰত কেতিয়াও হোৱা নাই। ইয়াৰ কাৰণ তৃতীয় বিশ্বৰ দেশসমূহত বিশ্বায়নৰ আগ্ৰাসন। বিশ্বায়নৰ কবলত পৰি এই দেশসমূহ কক্‌বকাব লগা হৈছে। এই দেশসমূহ পুজিঁপতি ৰাষ্ট্ৰসমূহৰ নেতৃত্বত বস্তুতঃ ডাষ্টবিনৰ দৰে ব্যৱহৃত হ'ব ধৰিছে। যাৰ ফলত বনাঞ্চল ধ্বংস হোৱা ঠাইত গঢ়ি উঠিছে বৃহৎ উদ্যোগসমূহ। যিবোৰে পৰিবেশ প্ৰদূষণ ঘটাই আছে এই অনুন্নত দেশসমূহত আৰু মুনাফা ঘটিছে পুজিঁপতি দেশৰ বহুজাতিক কোম্পানীবোৰে। গতিকে এই ব্যৱস্থাৰ পৰা হাত সাৰিবলৈ হ'লে তৃতীয় বিশ্বৰ দেশসমূহে সন্মিলিত ভাৱে স্বাধীন, স্বকীয়, পুঁজি গঢ়াত গুৰুত্ব দিব লাগিব।

এই বিশ্বায়ন, বৰ্ধতি জনসংখ্যাৰ লগতে

প্ৰৱজনেও বনাঞ্চল ধ্বংসৰ ক্ষেত্ৰত অৰিহণা যোগাইছে। তাহানিৰ সেই সেউজী ভাৰতৰ প্ৰতিচ্ছবিখন বৰ্তমান ধুঁৱলি-কুঁৱলী হৈ পৰিছে। যেতিয়ালৈকে এইবোৰ সমস্যা সমাধান কৰা নহয়, তেতিয়ালৈকে বনাঞ্চল ধ্বংস, প্ৰদূষণ আদি চিৰকালৰ বাবে একোটা জলন্ত সমস্যা হৈয়ে থাকিব। সেয়ে এই ক্ষেত্ৰত ল'বলগীয়া আটাইতকৈ গুৰুত্বপূৰ্ণ দিশ হ'ল পৰিৱেশ প্ৰদূষণৰ উৎসসমূহ চিনাক্ত কৰাৰ লগতে প্ৰদূষণৰ পৰা সৃষ্টি হোৱা ক্ষয়-ক্ষতিৰ পৰিমাণ নিৰ্ধাৰণ আৰু মানৱ জাতিৰ ভৱিষ্যতৰ ওপৰত ইয়াৰ সম্ভাব্য প্ৰভাৱ সম্পৰ্কে আলোকপাত কৰি এই সকলো দিশত সকলো স্তৰৰ লোকৰ মাজত সজাগতা বঢ়াই তোলা।

বনাঞ্চল ধ্বংসৰ আন এক কাৰণ হ'ল চোৰাং ব্যৱসায়ীসকল। যি সকলক পৰোক্ষভাৱে সহায় কৰে বনাঞ্চলৰ সমীপৰত আদিবাসী লোকসকলে। অথচ এই আদিবাসীসকলৰ বনাঞ্চলৰ সৈতে আছে এক নিবিড় সম্পৰ্ক। যিহেতু এই সকললোক অশিক্ষিত, দৰিদ্ৰ নিপীড়িত গতিকে এওঁলোকক সহজে প্ৰলোভিত কৰিব পাৰি। এইসকলেও একমাত্ৰ পেটৰ তাড়নাতে বনাঞ্চলৰ মূল্যবান গছ কটাৰ দৰে ভালেমান অনৈতিক কাৰ্য বিনা প্ৰতিবাদে কৰি গৈছে অতি কম মজুৰিত। আনকি সেই অঞ্চলৰ শিশুসকলো এই কাৰ্যত জড়িত হৈ পৰিছে। প্ৰতি দিনে পুৱাই দা-কুঠাৰ লৈ হাবিলৈ যোৱাতো সেইবোৰ অঞ্চলৰ এটা চিৰপৰিচিত দৃশ্য হৈ পৰিছে। যিটো বয়সত সেই কণমানিহঁতে প্ৰকৃতিৰ সৈতে ওমলিব লাগিছিল, সেইটো বয়সত সিঁহতে নিজ হাতে প্ৰকৃতিক ধ্বংস কৰিব লগা হৈছে। ইয়াতকৈ দুখৰ কথা আৰু একো নাই।

এই আদিবাসী দৰিদ্ৰ, অশিক্ষিত ৰাইজক শিক্ষিত তথা অৰ্থনৈতিকভাৱে টনকিয়াল কৰাৰ লগতে সেই অঞ্চলৰ শিশুৰ শিক্ষাৰ কাৰণে ঠায়ে ঠায়ে স্কুল-কলেজ স্থাপনত গুৰুত্ব দিলে চৰকাৰে ৰাষ্ট্ৰৰ উন্নতিৰ লগতে বনাঞ্চল সমূহো ধ্বংসৰ গৰাহৰ পৰা ৰক্ষা পৰিব। তদুপৰি বনাঞ্চল, প্ৰকৃতি সম্পৰ্কে বিশেষ পাঠ্যক্ৰম প্ৰস্তুত কৰি প্ৰত্যক শ্ৰেণীতে ইয়াক বাধ্যতামূলক পাঠ্যক্ৰমৰ অন্তৰ্ভুক্ত কৰি, বনাঞ্চলৰ ওপৰত বিশেষ তথ্যচিত্ৰ নিৰ্মাণ কৰি তাক গাঁৱে-গাঁৱে প্ৰদৰ্শন কৰি, বাতৰিকাকত, ৰেডিঅ', টেলিভিচন আদি জনসংযোদ মাধ্যমৰ যোগেদিও ইয়াৰ সপক্ষে জনমত গঢ়ি তুলিব পাৰি। ইয়াৰ উপৰিও চোৰাং ব্যৱসায়ীসকলক প্ৰতিৰোধ কৰিবৰ বাবে চৰকাৰে এটা বিশেষ আৰক্ষী বিভাগ গঠন কৰি তাত সুদক্ষ, নিষ্ঠাৱান আৰক্ষী বিষয়াক নিযুক্তি দিব লাগে। কৰ্তব্যত গাফিলতি কৰা বিষয়াক কঠোৰ শাস্তি দিয়াৰ ব্যৱস্থাও চৰকাৰে হাতত ল'ব লাগে।

এইবোৰতকৈও আটাইতকৈ গুৰুত্বপূৰ্ণ পদক্ষেপ হ'ল- ধ্বংস হোৱা বনাঞ্চলসমূহত বিজ্ঞানসন্মত ভাৱে নতুনকৈ অধিকসংখ্যক গছপুলি ৰোৱাৰ ব্যৱস্থা কৰা। এই ক্ষেত্ৰত কেৱল বনাঞ্চলতেই নহয় সমগ্ৰ দেশৰে সকলো ঠাইতে এই আঁচনিখন বলবৎ কৰিব লাগে। বৰ্তমান নিৰ্মীয়মান হাইৱেৰ নিমাৰ্ণ কাৰ্য্যত বহুতো গছ কটা হৈছে। এই গছবোৰৰ ঠাইত নতুনকৈ আগতকৈও দুগুণ পৰিমাণৰ অধিক গছপুলি ৰোৱাৰ ব্যৱস্থা গ্ৰহণ কৰিব লাগে। অৱশ্যে এই ক্ষেত্ৰত এই আঁচনি বলবৎ কৰিব লাগিলে বহু ক্ষেত্ৰত বিদ্যুত, টেলিফোনৰ তাঁৰবোৰে আহুকালৰ সৃষ্টি কৰিব। এইক্ষেত্ৰত, দিল্লীৰ লেখীয়া গুৱাহাটী বা আন চহৰবোৰতো যদিহে মাটিৰ,তললৈ তাঁৰবোৰ স্থাপন কৰা হয় তেন্তে এই আহুকালৰ সৃষ্টি নহ'ব।

কিন্তু কেৱল আইন প্ৰণয়নৰ যোগেদিয়ে বনাঞ্চল তথা প্ৰকৃতিক ৰক্ষা কৰিব নোৱাৰি। ইয়াৰ বাবে লাগিব জনসাধাৰণৰ সহযোগিতা আৰু সচেতনতা। প্ৰয়োজন সাপেক্ষে ইয়াৰ সংৰক্ষণৰ বাবে আন্দোলন কৰিবলৈও সাজু থাকিব লাগিব। এই ভাৰতবৰ্ষতে বনাঞ্চল প্ৰকৃতিক ৰক্ষাৰ বাবে



১৯৭৮ চনত চিপকো আন্দোলন,১৯৮৭চনত নৰ্মদা বচাও আন্দোলন আদিৰ নজিৰ আছে। তদুপৰি কেইদিনমানৰ আগতে অসমৰ এখন ভিতৰুৱা গাওঁ চৌতাকীয়ে ২৪ ঘণ্টাত ২ লাখ ৮৪ হাজাৰ গছপুলি ৰোপনেৰে এক ইতিহাস সৃষ্টি কৰিলে।এনেকেতবোৰ উদাহৰণে আমাক বনাঞ্চল তথা প্ৰকৃতিৰ প্ৰতি দায়বদ্ধ হ'বলৈ আমাক অনুপ্ৰাণিত কৰে।

উল্লেখনীয় যে জীৱ শ্ৰেষ্ঠ বুলি ব্যাপক আত্মশ্লাঘা অনুভৱ কৰা মানুহৰ চৰম অবিবেচক কামৰ পৰিণতিতে প্ৰকৃতি ধ্বংসৰ গৰাহত পৰিছে। অৱশ্যে বৰ্ধিত জনসংখ্যাই জীয়াই থাকিবলৈ প্ৰকৃতিৰ ওচৰতে হাত পাতিব লাগিব। আইন প্ৰণয়ন কৰিলেও ইয়াৰ প্ৰয়োজনীয়তা নুই কৰিব নোৱাৰি। কিন্তু তৎসত্বেও সকলোৰে অতিমাত্ৰা বেয়া বুলিও এষাৰ কথা আছে। বৰ্তমান আমি মানৱ সমাজে প্ৰকৃতি ধ্বংসৰ ক্ষেত্ৰত সীমা চেৰাই যাবলৈ ধৰিছোঁ।আধুনিকতাৰ অৱহাৱাত আমি যিমানেই সভ্য নহওঁ কিয়, আমি এইটোও পাহৰি যাব নালাগিব যে এই প্ৰকৃতিয়ে আমাক আদিম কালৰে পৰা সুৰক্ষা দি আহিছে। সেয়ে প্ৰকৃতি ধ্বংস নকৰি সুৰক্ষা দিয়াটো আমাৰ কৰ্তব্য তথা আমাৰ দায়িত্ব আৰু ইয়াৰ বাবে আমি সকলোৱে ঐক্যবদ্ধ হ'ব লাগিব নহ'লে মানৱ জাতিৰ ভৱিষ্যত অমাবস্যাৰ আন্ধাৰে আৱৰি ধৰিব।

---

## শিকোঁ আহা

১. পৃথিৱীৰ আটাইতকৈ সৰু চৰাইবিধৰ নাম কি?
: হামিং বাৰ্ড

২. পৃথিৱীৰ দ্ৰুত বেগী চৰাই কোনটো?
: ছুইফট

৩. কোন চৰাইয়ে উৰন্ত অৱস্থাত কণী পাৰে?
: হোমা

৪. মহাকাশ বিজ্ঞান প্ৰতিষ্ঠান নাছাৰ সম্পূৰ্ণ নাম কি?
: নেচনেল এৰ'নেটিক স্পেচ এডমিনিষ্ট্ৰেচন (আমেৰিকা)

দীপিকা তাঁতী
উ.মা.২য় বৰ্ষ (কলা)

৫. আটাইতকৈ ডাঙৰ কাৰাগাৰ ক'ত আছে?
: ৰাচিয়াত (খৰখোৰ্ড কাৰাগাৰ)

৬. অসমীয়া সাহিত্যৰ প্ৰথম চুটিগল্পৰ লেখক কোন?
: লক্ষ্মীনাথ বেজবৰুৱা

উপাসনা দেৱী
উ.মা.২য় বৰ্ষ (কলা)

---

কবিতা

## নিষ্ঠুৰ স্পন্দনবোৰ...

অভিজ্ঞান অনুভৱ
দ্বিতীয় বৰ্ষ, বিজ্ঞান শাখা

এটা ঘড়ী,
বেটাৰী, স্প্ৰিং এডাল সোণালী ৰঙৰ মৰম লগা চেইন
মিনিট, ছেকেণ্ড আৰু ঘণ্টাবোৰক
কোলাত লৈ ফুৰিবলৈ তিনিডাল কাটা,
কেতিয়াবা হঠাতে অবাধ্য হৈ পৰা সময়বোৰক
বাধ্য কৰাবলৈ, এটা সৰু ছবি আৰু
এই সকলোবোৰৰ মাজত হয়তো
এখনি নিষ্ঠুৰ হৃদয়

কঁহুৱা ডবাৰ সিপাৰৰ, নিশাৰ ভাগৰুৱা নৈখনৰ বুকুত
সাঁতুৰি ফুৰিছে বনৰীয়া জোনটিয়ে;
জোনটো নথকাৰ সুযোগতে,
জোনাকী পৰুৱাবোৰে ফিচিঙা-ফিচিং কৰি আছে
তৰাবোৰলৈ চাই
তোমাৰ ঘড়ীৰ কাটা কেইডাল ৰৈ আছেনেকি বাৰু?
চাইছে নেকি ৰ'লাগি জোনটিৰ মুখলৈ,
অথবা, নিস্তব্ধতাৰ মাজতো স্পন্দিত হৈ থকা
নদীৰ তৰাবোৰলৈ
কি কৈছা? ৰোৱা নাই?
কি কোম্পানীৰ ঘড়ী পিন্ধা তুমি?
ফাষ্ট ট্ৰেক্, টাইটান? কিহৰ?
অকণমানো সহানুভূতি নাইনে বাৰু তোমাৰ ঘড়ীটোৰ
তোমাৰ প্ৰতি?

সুখৰ মুহূৰ্তবোৰতো নোৰাৰিনেকি ৰ'ব ক্ষন্তেকলৈও?
যিদৰে পাৰ হৈ নাযায় বেগেৰে
দুখৰ বৰষুণ জাকো..................
ক্লাছৰুমত, কেন্টিনত, টিউশ্যনত
তোমাৰ স'তে পাৰ কৰা প্ৰত্যেকটো মুহূৰ্ত
সন্ধিয়া ফুটপাথত খোজ কাঢ়ি
নিয়ন্ লাইটৰ জোনাকত তিতি-বুৰি তোমাৰ স'তে
ম'বাইলত কথা পতা ,
দোভাগ ৰাতি, সমুখত ফিজিক্সৰ কিতাপ মেলি
উকা কাগজৰ বুকুত আবেগৰ বৰষাৰে জীপাল হোৱা
শব্দবোৰ সজাই সজাই তোমালৈ বুলি চিঠি লিখা,
"মৰমৰ কেনে আছা?....
ইতি তোমাৰ...."
এই মুহূৰ্তবোৰতো ধৰি নাৰাখিলে তোমাৰ নিষ্ঠুৰ ঘড়ীটোৱে,
অথবা মোৰো..................
আমিয়েই সাজি, হাতত ওলমাই লোৱা,
ঘড়ীবোৰত বগাই ফুৰা সময়বোৰৰ হাতত
আমি বৰ নিৰ্লজ্জভাৱে বন্দী,
সেয়েহে, ওৰে নিশা উজাগৰে থাকি
আকোঁ বুলিও মই আঁকি দিব নোৱাৰো আজি,
জোনাকেৰে তোমাৰ ছবি, অথবা বসন্তৰ
সেউজীয়াবোৰেৰে,
সুৰুযৰ সাতোটা ৰঙেৰে..........
এইদৰেই, ইটোৰ পাছত সিটো টিক্-টিক্ শব্দত
আমি হেৰাই গৈছোঁ,
ঘড়ীবোৰৰ নিৰ্জীৱ, নিষ্ঠুৰ স্পন্দনবোৰৰ মাজত,
মই আৰু তুমিও..................
এনেদৰেই .................. ক্ৰমশঃ............



## শৈশৱৰ সেউজী সুৰ

সৌৰভজ্যোতি চেতিয়া
উঃ মঃ দ্বিতীয় বৰ্ষ, কলা শাখা

চিৰিলি পাতে পাতে
সোঁৰৱণী বতাহৰ গুণ-গুণ
ঈষৎ হালধীয়া হাঁহিৰে
হাতে বাউলি মতা শৈশৱৰ সেউজী সুৰ
শুন; শুন!

কাণ উনাই শুনচোন
ঋতু সময়ৰ আচোঁৰ লাগি
বহুদিন নুশুনা সুৰবোৰ দুলিছে
স্পৰ্শত আতুৰ; শীৰ্ণ
শৈশৱৰ ৰূপালী নদীৰ পাকনীত।

হয়তো তোমাৰ আৰু মোৰ
হিয়াৰ পৰশ বিচাৰিয়েই বৈছে..................
বৈ আছে বঞ্চিত পানী ভৰা
গভীৰৰ ........পৰা......গভীৰতালৈ......
নিজানত টুকি-টুকি ঘোলাপানীৰ চকুলো;

তুমিতো এতিয়া নাহা
শৈশৱৰ সোণাৰু ফুলীয়া বাটেৰে
মোৰ গছৰ পাত কঁপা উকতি,
চিনাকি ঘাটলৈ..............,

চিনাকি নদীৰ ভাঁজৰ
দুপৰৰ খহনীয়া গৰাৰ চপৰাত
লাগি থকা
জোন হেৰুৱা জোনাক চাবলৈ,
নতুবা নাহা........



কাঁচিয়লি ৰ'দৰ উমত
ল'ৰালিত লেছেৰি হোৱা
আঘোণৰ সোণবৰণীয়া থোক বুটলিবলৈ,
ৰাংঢালী জনী হৈ
মোৰ অনামিকা আঙুলিত ধৰি
মোৰ শপত
এবাৰ হ'লেও আহিবা
আকৌ এবাৰ তিতিম
শৈশৱৰ পানী যুঁৰলিত
দৌৰিম নৱানি-তৰাণি ভাঙি
আঘোণৰ পথাৰৰ মাজে মাজে
তুমি থাকিবা মোৰ
অনামিকা আঙুলিত ধৰি।

## হৃদয়

বিজিত গগৈ

নিঃসংগ ৰাতিবোৰে
উচুপি উচুপি কান্দে
দুখৰ আন্ধাৰে বুকুখন ঢাকে

নোপোৱাৰ মাজতেই থাকে দুখৰ উৎস
দুঃস্বপ্নৰ কাঁইটে বিন্ধে চকু
উম সনা সপোনৰ সললি
চকুলোত তিতে শিতানৰ গাৰু
তেজাল ওঁঠৰ স্পৰ্শ বিচাৰি
যাব নোখোজা অবাটে
তোমাৰ হৃদয়ত বেলি ডুবা দেখি
মোৰ হৃদয়ত ফুলে
তেজাল গোলাপ পাহি........।

## হঠাৎ লগ পাইছিলোঁ অপৰাজিতাক

চন্দন লাহন
উঃ মঃ দ্বিতীয় বৰ্ষ, কলা শাখা

জীৱনৰ দীঘল বাটত
হয়তো যৌৱনৰ প্ৰথম খোজ
............তেতিয়া..........,

হঠাৎ লগ পালোঁ এদিন অপৰাজিতাক
যিদিনাৰ পৰা বাজিবলৈ ধৰিছিল
কোনো দিন নবজা পিয়ানো খন,
ধাৰাসাৰে বোৱাই নিছিল যি
ভালপোৱাৰ বাৰিষাৰ বন্যা, মোৰ হৃদয় নদী
উপচাই,

কোনো দিন নকপা মোৰ দেহ কঁপাই তুলিছিল
একদম বাজি বাজি মোৰ বুকুত

এদিন নোহোৱা হৈ গ'ল হঠাৎ
সেই স্পন্দন; আকৌ স্পন্দিত হম বুলি;

বুকুত সপোন সিঁচি গুছি গ'ল যি
আকৌ লগ পোৱাৰ প্ৰতিশ্ৰুতি দি;

সেয়ে আজি আয়োজন কৰি ৰখা হৈছে
এটি শুভ্ৰ জোনাকৰ;
জেনাকত এটি ফুলশয্যা নিশা
যি নিশাত ফুলিব মাথো নুফুলা ফুল
যিহেতু কথা আছে অপৰাজিতাক আকৌ লগ
পোৱাৰ;

উপেক্ষিত জীৱনত আজিও অপেক্ষিত
আহিব অপৰাজিতা,
আহিব জোনাক,
আৰু লৈ আনিব তেওঁলোকৰ বাবে
জোনাক নিশাৰ জোনাকী
সপোন.....আহিব নে........?



## এটা হেৰুৱা দিনৰ কবিতা

তুম্পা শৰ্মা
উঃ মাঃ দ্বিতীয় বৰ্ষ

এদিন তোমাৰ বুকুতে এৰি আহিলোঁ
যৌবনৰ প্ৰথমটো উশাহ

আজিও মোৰ চকুত শিপায়
তোমাৰ বনৰীয়া লাজ
নিশা আকাশৰ তৰাৰ বুকুত দেখোঁ
তোমাৰ-মোৰ বাসনাৰ দাগ

সেইদিনাৰ সান্নিধ্যৰ স্পৰ্শত
মৌন হৈ পৰিছিল গছবোৰ
আৰু আমাৰ আলিংগনত দৌৰিছিল
নদীৰ ঢৌবোৰ

মৌন হৈও গছবোৰ থাকি গ'ল
ঢৌবোৰ গুচি গ'লেও নদীখন
আঁতৰি নগ'ল

এদিন-দুদিকৈ তোমাৰ বুকুত হেৰাল
আলফুলে জীপ দিয়া প্ৰথমটো উশাহ
দিনবোৰ মাহ হ'ল
মাহবোৰ বছৰ হ'ল
মাথোঁ পুৰণি নহ'ল সেইদিন।



## তোমাৰ জোনাক বাগিছাখনি

চন্দ্ৰ বাইলুং
উঃ মাঃ দ্বিতীয় বৰ্ষ, কলা শাখা

তোমাৰ দেখিছোঁ জোনাক বাগিছাখনি
বৰ অপূৰ্ব; মাথো সৌন্দৰ্য্যৰ ৰং
ফুলাইছা নে তুমি বাৰু যুগল মৰমৰ ?
সঁচা নে মিছা দূৰৈৰ পৰা চিনিবকে পৰা নাই
ৰং দেখিছোঁহে কেইবাটাও
ৰামধনু যেন 'বেঘনীসেহাসুৰ' ৰঙৰ
বৰ্ণালী
হ'বগৈ পাৰিম জানো তোমাৰ বাগিছাৰ মালি?

মোৰ বাগিছাত শেষ হৈ বাকী থকা
এপাহেই ফুল মাত্ৰ,
নাম তাৰ আশা
ল'বা নে তুমি বাৰু সঁচ আঁকোৱালি?
নোৱাৰো কৰিব যতন মই,
বৰ দুৰ্ভগীয়া মালি
মৰমৰ যেন বালি
আঙুলিৰ ফাঁকেৰে সৰকি আজি
হাত মোৰ তেনেই খালী;

দিয়াচোন হ'বলৈ মোক তোমাৰ বাগিছাৰ মালি
জীৱনৰ অন্তিমলৈ আৰু কিমান দিননো বাকী;
সুন্দৰ বাগিছা তোমাৰ
আগলৈও তোমাৰেই হ'ব
মাথো ফুলাবৰ মন মোৰ মাধৈ মালতী;
সঁচাকৈ,
তোমাৰ দেখিছোঁ, জোনাক বাগিছাখনি
বৰ অপূৰ্ব; মাথো সৌন্দৰ্য্যৰ ৰং।



## যদিও বহুদূৰ

ননীমাধৱ ফুকন
দ্বিতীয় বৰ্ষ, বিজ্ঞান শাখা

যদিও বহুদূৰ আকাশৰ শেষ সীমনালৈ
তথাপি মেলি দিছিলোঁ
মোৰ দুৰ্দান্ত প্ৰেমিক চৰাইজাক,
আৰু আকাশী অনন্ত পাৰ হোৱাৰ দুৰ্বাৰ
তাড়নাত
মই হেৰুৱাই পেলালোঁ
ক্ৰমশঃ......................
অন্ধ আকাশৰ তলত পৰি ৰোৱা
মই এতিয়া এজন বাকৰুদ্ধ কবি;
সস্তীয়া কলমৰ নিস্তেজ চিয়াঁহীৰে
আজি মই লিখি দিব নোৱাৰোঁ
তোমালৈ
বৰষামুখৰ এখন চিঠি;
হিংস্ৰ মমতাত বাংময় হোৱা
এটি প্ৰেমৰ পদ্য
সাজি ল'ব নোৱাৰোঁ মই
শৰতৰ শাৰদী ৰাতি;
এজাক ক্ৰুদ্ধ বতাহত
বিকলাংগ হোৱা এটি উশাহ
আৰু এমুঠি বেদনাগধুৰ সপোনেৰে
সজাব নোৱাৰোঁ আজি
এটি ভাগৰৰ টোপনি;
এই সকলোবোৰ মোৰ বুকুতেই প্ৰোথিত হ'বলৈ
দিয়া
এদিন নিজেই থমকি ৰ'ব;
মোৰ জীৱন যজ্ঞৰ অশ্বমেধ ঘোঁৰা।

## হৃদয়

হৰিনাথ গায়ন
দ্বিতীয় বৰ্ষ, কলা শাখা

মোৰ শৰীৰটোত লাগি থকা হৃদয়খনৰ দৰে
আন এখনো মৰম লগা হৃদয় পিন্ধি আছোঁ।
সেই হৃদয়খন মোৰ বাবে অতি মৰমৰ
যি ঢাকি ৰাখে মোৰ সমস্ত দুখ-যন্ত্ৰণা
মৰম-চেনেহ আৰু হিয়াত গুজৰি উঠা
ভাৱৰ সুকোমল অনুভূতিবোৰ।
লগতে ঢাকি ৰাখে ব'দ বৰষুণ
আৰু বায়ুমণ্ডলত উৰি ফুৰা ধুলি-বালিবোৰ।
সেইখন হৃদয় মই কেতিয়াবা ধুই নিকা কৰোঁ
আৰু কেতিয়াবা খুলি থওঁ
কেতিয়াবা ক'ৰবাত ফুৰিবলৈ গ'লে পিন্ধি যাওঁ।
যিখন হৃদয়ে মোক এজন আটোম-টোকাৰী
ব্যক্তিৰূপে গৌৰৱেৰে চিনাকি দিয়ে।
সেইবাবে মই সদায় এইখন হৃদয় সযতনে থওঁ।
যদি সেইখন হৃদয় সময়ৰ গতিত পুৰণি হৈ
চিৰাচিৰ হয়, তেতিয়া তাৰ পৰিবৰ্ত্তে ল'ম
এখন চকুৰোৱা অভিনৱ হৃদয়।
সেয়ে মই পিন্ধি আছোঁ মাথোঁ এখন হৃদয়॥



## সন্ধ্যা যেতিয়া নামে

চন্দন দাস
উঃ মাঃ দ্বিতীয় বৰ্ষ, কলা শাখা

এটি উদাসী সন্ধ্যাৰ বুকুত
সৰি পৰিছে সপোনৰ আশাভৰা ৰংবোৰ
শেৱালীৰ পাহিবোৰ সৰি পৰাৰ দৰে।
শেৱালী পাহিবোৰ দেখোন মৰহি যায়।
এছাটি অচিন বা লাগি কপি উঠে বুকুখন।
ভয় লাগে যদিহে উৰুৱাই লৈ যায়,
মোৰ কলিজাৰ আধা কেঁচা সপোন।
নিশা গভীৰ হ'বলৈ ধৰিছে
দুচকুত স্বপ্নৰ নদীয়ে পাৰ ভাঙিছে
উটি যাব খোজে আশাৰ বালিঘৰ।
কথা আছিল একেলগে স্বপ্নীল আকাশ
চোৱাৰ।
কথা আছিল একেলগে বৰষুণত তিতাৰ।
কথা আছিল হৃদয়ে হৃদয় উমান লোৱাৰ
কথা নাছিল একেটা জোন বেলেগে বেলেগে
চোৱাৰ।
ভবাটো নাছিলো নিশাবোৰ এদিন উদাস হ'ব।
তথাপি মইও এটি উদাস সন্ধ্যাৰ বুকুত।



## শৰতৰ পথাৰত সেউজীয়া গোন্ধ

চক্ৰধৰ বাইলুং
উঃ মাঃ দ্বিতীয় বৰ্ষ, কলা শাখা

শৰতৰ এনিশা খোলা খিৰিকিৰে এচাটি বতাহ,
বতাহৰ সতে খিৰিকিৰে
সোমাই আহিছে শেৱালীৰ সুবাস আৰু
পথাৰৰ সেউজীয়া গোন্ধ।
এইয়ে নিয়ৰৰ টোপালৰ সতে দুবৰিৰ দলিচাত
সৰি পৰে শেৱালীৰ ফুল।
বতাহৰ কোবত নাচি উঠে
পথাৰৰ সেউজীয়া ধাননি আৰু বাৰে বাৰে সৰি
পৰে
ধানৰ পাতত ওলমি থকা নিয়ৰৰ
টোপাল।
এইদৰেই সেই নিশাবোৰ বাঢ়ি আহে,
ঢালি দিয়ে মোৰ বুকুৰ সোণসেৰীয়া চোতালত
শেৱালীৰ মিঠা সুবাস আৰু
পথাৰৰ সেউজীয়া গোন্ধ।
এইদৰেই শৰতক আজি চানি ধৰিছে
সেউজীয়া এচাটি বতাহে,
এটি মিঠা মিঠা গোন্ধে
ক্ৰমশঃ.............



## সমাজ

পৰিস্মৃতা গগৈ
উঃ মাঃ দ্বিতীয় বৰ্ষ, কলা শাখা

মই বিচাৰিছোঁ
এখন সুন্দৰ সমাজ
য'ত থাকিব
এদল তেজ মঙহেৰে গঢ়া
সঁচা মানুহ।
যাৰ অন্তৰত থাকিব
মায়া মমতাৰে ভৰা
এখনি কোমল হৃদয়
মই বিচাৰিছোঁ,
এনে এখন সমাজ
য'ত মানুহে মানুহক
ঈৰ্ষা নকৰে।
য'ত থাকিব
ফুলৰ দৰে পবিত্ৰ
প্ৰেমৰ আভাস।
মই নিবিচাৰোঁ.........
হত্যা, সন্ত্ৰাসেৰে গঢ়া
এখন উশৃংখল সমাজ,
হে মানৱ জাতি
সৎ পথ বিচৰা
শুদ্ধ পথ বিচৰা।

## জটিল জগত

প্ৰিয়ংকা শৰ্মা
উঃ মাঃ দ্বিতীয় বৰ্ষ, কলা শাখা

এই জগতখন বৰ জটিল জগত।
ইয়ালৈ মানুহ আহিছে আৰু গৈছে।
এই অহা সকল আৰু যোৱা সকলে,
জীৱনটোত কিমান যে সংগ্ৰাম কৰিব লগা হৈছে।
ইয়াত, এচামে এচামৰ ওপৰত,
অত্যাচাৰৰ ওপৰত অত্যাচাৰ চলাইছে।
এচামে, কাৰোবাৰ বাবে নিজৰ জীৱনটোকে দান
দিছে।
কিন্তু, এই সকলোকে জানো মানুহে মনত ৰাখিছে?
কেনেকৈ ৰাখিব?
আৰু প্ৰয়োজন নাই।
সকলোতো মহান পুৰুষ বা মহিলা নহয়।
নতুবা সকলোতো শ্বহীদ নহয়।
হয়, কোনোবাই প্ৰাণ দিছে দেশৰ বাবে।
কিন্তু, সকলোৱেতো দেশৰ বাবে প্ৰাণ নিদিয়ে।
বহুতে প্ৰাণ দিয়ে কোনোবা আপোনজনৰ
অত্যাচাৰৰ বশৱৰ্তী হৈ।
আৰু বহুতে, কোনোবা এদলৰ দাবী মনোৱাৰ,
আহিলা স্বৰূপ হৈ।
এই সকলোৰে নাম মনত ৰখাটো অকনমানো সহজ
নহয়।
কাৰণ, এই কাৰবাৰটোতো এদিন বা দুদিন নহয়।
এই কাৰবাৰতো নিতৌ চলিয়েই আছে।
কেতিয়া শেষ হ'ব এই কাৰবাৰ?
কেতিয়া শেষ হ'ব.....................?
কেতিয়া.....................?
মোৰ অনুমানত কেতিয়াও শেষ নহ'বই নেকি..........।



## সপোন

বিজয়া তাঁতী
উঃ মাঃ দ্বিতীয় বৰ্ষ, কলা শাখা

এদিনাখন সাৰ পাই দেখিলোঁ এই পৃথিৱী
চাওঁতে চাওঁতে চিনাকী হলো আপোনজনৰ
লগত
চিনি পালো মানুহৰ প্ৰকৃতিক
যাক ব্যক্ত কৰিব বিচাৰোঁ নিজৰ আগত
বাটত বহুতো উজুটিত ভাঙি পৰা নাই
বৰং খোজ দিছো ঠিয় হৈ সকলোৰে মাজত
ঘাত-প্ৰতিঘাত, বিপদ-আপদৰ মাজেৰে
আগবাঢ়িলো নিজ লক্ষ্য পাবলৈ
অশেষ কষ্টৰে
বিচাৰিও নাপালোঁ যাক তাৰ আশাত
ৰাতি ৰচিছোঁ সপোন
বিচাৰিব ধৰিছোঁ সেই সপোনক
যাৰ বাবে মই এৰি আহিছোঁ আপোনজনক
জীৱনৰ এই নিজান বাটত মাতিবা এবাৰ
সহাঁৰি জনাম তোমাৰ মাতক
এইয়াই নে জীৱন
যি লাগে আজিও মোৰ সপোন।



## এখন প্ৰতিবেদন ঃ শান্তিৰ সন্ধান

ঋতুৰাজ সিং
উঃ মাঃ প্ৰথম বৰ্ষ, বিজ্ঞান শাখা

"শান্তি দিয়া", "শান্তি দিয়া"
কোলাহল ধ্বনিৰ এজাক শিশু
শান্তি বিচাৰি আগবাঢ়ে ৰাজপথত
হাতে হাতে প্লেকাৰ্ড, বেনাৰ লৈ।
কিন্তু শান্তি ক'ত? চৌদিশে বিৰাজমান
কেৱল বোমাৰ শব্দ, নিৰ্দোষৰ ৰক্তৰ কেঁচাগোন্ধ
যি গোন্ধই আনন্দ দিয়ে এপাল ৰক্তপিপাসুক
কি বিড়ম্বনা! আজি নিজৰ ঘৰতে
বিভীষণৰূপীৰ খন্দমদম!?
দেশৰ আমোলাই সভা পাতে
শান্তিৰ মিছা আৱৰণ মেৰিয়াবলৈ
গণতন্ত্ৰৰ ফোঁপোলা ৰূপ জহাবলৈ
নাই যে উপায় চিনি পাবলৈ
ৰক্ষকেই ভক্ষক
সিঁহত আছে মাথোঁ
উচিত মূল্যৰ বিনিময়ত দেশদ্ৰোহীকো
ৰেহাই দিয়ে নিজৰ পথ নিষ্কণ্টক কৰিবলৈ।
সেয়ে আজি আহিছো ওলাই
এজাক শিশুৰ- শান্তিৰ সন্ধানত
কৰি সংকল্প, "ক্ষুদ্ৰ স্বাৰ্থ ত্যাগ কৰি
বৃহত্তৰ স্বাৰ্থৰ খাতিৰত সকলোৱে
হিংসাৰ বাট পাহৰি বাপুজীৰ
মন্ত্ৰ সাৰোগত কৰি অহিংসাৰ
হেঙুলীয়া বাটেৰে যাওঁ আগুৱাই।"
"জয় আই অসম।"



## স্তব্ধ আশা

তুলুমণি বৰগোহাঁই
উঃ মাঃ দ্বিতীয় বৰ্ষ, কলা শাখা

মোৰ বুকুৰ দুখবোৰ
কোনেনো বুজিছে
জুলি থকা ৰঙা অঙঠাৰ দৰে
কলিজাৰ জুই কোনেনো দেখিছে?
আনৰ দুখত দুখী
আনৰ সুখত সুখী
আছে জানো কোনোবা পৃথিৱীত?
সোণোৱালী যৌৱনৰ
ৰঙীণ সপোনবোৰ
চাইছিলো মই উভটি,
জানোচা,
স্মৃতিবোৰ জুইত ছাই হৈ নাযায়।
ভগ্ন হৃদয়ত কঁপি উঠে মন মোৰ
স্মৃতি মাথো এতিয়া সাঁচতীয়া ধন
তন-মন নিৰ্বিকাৰ
স্তব্ধ হ'ল আশাৰ স্পন্দন।

## বন্ধু উভতি আহিবা

মনচুৰ আহমেদ
উঃ মাঃ দ্বিতীয় বৰ্ষ, বিজ্ঞান শাখা

শৰতৰ নিঃসঙ্গ দিনত
বন্ধু উভতি আহিবা কলেজখনলৈ।
আঁহত জোপাৰ ৰাউণ্ডত
ৰৈ থাকিব তোমাৰ বন্ধুসকল,
স্বাগতম জনাব সিহঁতি তোমাক,
মিচিকি হাঁহিৰে তুমি মিলিত হ'বা
সিঁহতৰ আলাপত।
আলাপত মচগুল হৈ থাকোতেই
লাহে লাহে বেলিটো হেৰাই যাব
গড়চুড়াত।
আহঁত জোপাত লাগি থকা
নিয়ৰৰ কথাবোৰ
জিলিকি ৰ'ব দুবৰিত পৰি
চিকমিক বাটেৰে স্মৃতিৰ ৰথখন
পাৰ হৈ যাব ক্লেদাক্ত মেঘৰ
মাজেৰে.....।
হঠাৎ বৰষুণ আহিব, আন্ধাৰ নামিব
আৰু আমাৰ হৃদয়ৰ আলাপ সদায়
সেউজীয়া হৈ পৰিব॥

## সোণাৰি কলেজ

ৰাজশ্ৰী গগৈ
উঃ মাঃ দ্বিতীয় বৰ্ষ

সোণাৰি কলেজ তোমাক
শতবাৰ কৰো মই নমস্কাৰ
১৯৭০ চনত স্থাপিত হৈ
বিলাইছা মুকুতাৰ জ্ঞান সঞ্জীৱনী
তোমাৰ বুকুত আমি জ্ঞান শিকি
আগ বাঢ়ি যাওঁ পোহৰ বিচাৰি
তুমিয়ে দিলা আমাক জ্ঞানৰ ভঁৰাল
তোমাৰ পৰাই হওঁ আমি লাভৱান
তোমাক জনাওঁ শতবাৰ নমস্কাৰ।



## Die for your Country

**Mehjbin Akhtar Rohman**
H.S. 2nd year(Arts)

If you want to keep, keep your promise,
If you want to cultivate, cultivate good manners;
If you want to read, read good books,
If you want to dress, dress wounds of others;
If you want to kill, kill your pride,
If you want to write, write your mistakes;
If you want to sow, sow seeds of love,
If you want to die, die for your country!!



# প্ৰত্যাৱৰ্তন

চিমি বৰগোহাঁই
উঃ মাঃ দ্বিতীয় বৰ্ষ, বিজ্ঞান শাখা

শ্যামলিমাই গভীৰ প্ৰত্যাশাৰে আকাশৰ ফালে চাই পঠিয়ালে। এইখনেই আকাশ— নিজৰ বিশালতাৰে সকলোকে আৱৰি ৰখা এক নিৰাপত্তা! তাইৰ সকলোতকৈ আপোন বন্ধু এই আকাশখন। দুখৰ পাৰাপাৰ নোহোৱা সাগৰত ডুবি থাকিলেও তাই এই ৰহস্যময়তাৰে ভৰা আকাশখনৰ মাজতে বিচাৰি পায় জীয়াই থকাৰ নতুন উৎসাহ, প্ৰেৰণা। সঁচাকৈয়ে, আকাশখন বৰ বিশাল, পাৰাপাৰ হীন। নীৰৱতাৰ মাজতো আকাশ যে কিমান সৰব! শব্দহীনতাৰ মাজেৰে কিমান যে ভাবনাৰ উন্মেষ ঘটায় এই আকাশে! ভাবি আচৰিত লাগে তাইৰ। আকাশলৈ চাই কতই যে জীৱনৰ ৰঙীন কল্পনাৰ ছাঁয়াছবি আঁকে। আঁকিছিল, এসময়ত তাইও আকাশৰ মাজতে ভৱিষ্যতৰ অলেখ সপোনত বিভোৰ হৈছিল। ওপৰলৈ, বহু ওপৰলৈ উঠাৰ সপোন দেখিছিল তাই। আকাশলৈ চাই চাই ডাৱৰৰ আঁৰে আঁৰে শুকুলা ৰথত উঠি কোনোবা ৰাজকোঁৱৰ এজনে তাইৰ প্ৰতীক্ষাত ব্যকুল হৈ থকাৰ কথা তাই প্ৰত্যক্ষ কৰিছিল। তাই যেন এজনী পৰী হৈ জোনৰ স'তে লুকা-ভাকু খেলিছিল শুভ্ৰতা আৰু পবিত্ৰতাৰে ভৰা ডাৱৰৰ আঁৰত...। সেইবোৰ এতিয়া স্মৃতিৰ ৰোহ ঘৰত সোমাল। আকাশখন আজি ডাৱৰে আৱৰি ধৰিছে। ক'লা ক'লা চপৰা-চপৰ মেঘবোৰ ইফালে-সিফালে অহা-যোৱা কৰি ফুৰিছে। কিছু সময়ৰ পিছতে হয়তো বৰষুণ আহিব। তাইৰ ভাল নালাগে, আকাশ ক'লা ডাৱৰে ঢাকি ধৰিলে তাইৰ অন্তৰতো বোজা ব'ব নোৱাৰাকৈ এবুকু বিষাদে আৱৰি ধৰেহি- মনটো অশান্ত হৈ পৰে।

শ্যামলিমা - এজনী অমায়িক ছোৱালী। কলেজীয়া ছাত্ৰী হিচাপে মানসিকভাৱে যথেষ্ট পৰিপক্ক তাই। আবেগক ধৰি ৰখাটো তাইৰ বাবে বৰ কষ্টকৰ। আবেগৰ বশৱৰ্তী হৈ তাই কেতিয়া যে খেয়ালী কামবোৰ কৰি পেলায়, তাই ক'ব নোৱাৰে। গান গাই কবিতা লিখি ভাল পোৱা ছোৱালী তাই। পাঠ্যপুথিৰ পদাৰ্থ বিজ্ঞান, গণিতৰ পৰিৱৰ্তে অনুৰাধা শৰ্মা পূজাৰীৰ উপন্যাস পঢ়ি তাই বেছি ভাল পায়। এইবোৰ খেয়ালী, অবিবেচক কামৰ বাবেই তো আজি তাইৰ এনে অসহায় অৱস্থা হৈছে। বুকুত তৰপে তৰপে জমা হৈ থকা আবেগৰ মূল্য দিবলৈ গৈ, স্বপ্ন-সত্য-বাস্তৱৰ সৈতে মোকাবিলা কৰিবলৈ গৈ সঁচায়ে, তাই বৰ বেয়াকৈ হাৰি গৈছে।

কলেজত প্ৰথম ভৰি দিয়াৰ দিনা এক অচিনাকী উত্তেজনাত তাই কঁপি উঠিছিল। তাইৰ সৰু পৃথিৱীখনৰ পৰা ওলাই আহি শিক্ষাৰ এই বিশাল ক্ষেত্ৰখনত তাই সহজে মিলিব পৰা নাছিল। নিয়তিয়ে হয়তো তাইৰ বিৰুদ্ধে মনে মনে ষড়যন্ত্ৰ কৰি পেলাইছিল। অন্তৰ্মুখী শ্যামলিমাই যে কোনো সমনীয়াৰ সৈতে সহজ হ'ব পৰা নাছিল। বাৰে বাৰে তাই এৰি যোৱা হাইস্কুলখনলৈ মনত পৰিছিল। তাত কলেজৰ দৰে ক্লাছ ৰুমটোত ঠাহ খাই পৰাকৈ ছাত্ৰ-ছাত্ৰী নাছিল। তাইৰ লগততো আৰু কোনো ছোৱালীয়েই নাছিল। তথাপি যে ছাৰ বাইদেউসকলৰ মৰমৰ মাজত তাই অকলে বুলি ভবাৰ তাই অবকাশেই পোৱা নাছিল। কিন্তু ইয়াত যে ইমানবোৰৰ মাজত থাকিও তাই অকলশৰীয়া। বৰ অসহ্য লাগে তাইৰ। একে লগে বহি থকা

ছোৱালীজনীৰ চিন্তাৰ ৱেভ্‌লেংথ তাইৰ সৈতে নিমিলে। মনে মনে বহি থকাৰ বাদে তাইৰ উপায় নাই। এই মাত্ৰ প্ৰফেচৰজনে দি যোৱা ভাষণটো কি বিষয়ৰ আছিল ভাবি উলিয়াওঁতে তাইৰ এঘন্টা লাগিল। সঁচাকৈয়ে তাই বৰ অসহায় হৈ পৰিছে।

লাহে লাহে সকলো সহজ হৈ আহিছিল। শ্যামলিমাৰ বাবে কলেজখন আপোন হৈ পৰিছিল। কলেজ চৌহদত ৰক্তিম আভাৰে আলোকিত কৰি ফুলি থকা কৃষ্ণচূড়া কেইজোপা, আমলখিৰে দোঁ খাই থকা আমলখি কেইজোপাৰ প্ৰত্যেকটো স্পন্দন যেন তাই অনুভৱ কৰিব পাৰিছিল। দেশী-বিদেশী সাহিত্যৰ জ্ঞানেৰে ভৰা কলেজ লাইব্ৰেৰীটোৰ প্ৰেমে তাইক মতলীয়া কৰিছিল। তাই যেন ক্ৰমে হেৰাই গৈছিল। তাই থকা হোষ্টেলটোৰ বৈচিত্ৰ্যময় আবাসীসকলৰ সৰলতাৰ মাজত। অসমীয়া সাহিত্য পঢ়োৱা অধ্যাপিকাগৰাকীৰ উদ্বুদ্ধিত সন্মোহনী ভাষাই তাইৰ অন্তৰত কি যে এক নতুন অনুভূতিৰ সঞ্চাৰ কৰিছিল! কলেজৰ প্ৰত্যকটো ফাংচনতেই তাই অংশ গ্ৰহণ কৰিছিল। তাই যেন এক নতুনত্বৰ দিশে গতি কৰিছে।সুন্দৰৰ সোণোৱালী পথাৰে .....।

দিনবোৰ পাৰহৈ গৈছিল। এটি দুটিকৈ মাহ বাগৰি বছৰটো শেষ হ'বলৈ ধৰিছিল। সিহঁতৰ পৰীক্ষাবোৰ শেষ হৈ গৈছিল। আৰু শেষত এদিন সিহঁতৰ ৰিজাল্ট ওলাল। তাইৰ যেন স্বপ্ন ভঙ্গ হ'ল। ইমান দিনে তাই বাৰু এটা সপোনৰ মাজত শুই পৰিছিল নেকি? তাই যেন সকলোৰে বাবে এটা অনাকাংক্ষিত বোজা হৈ পৰিল। তইৰ মেট্ৰিকৰ ৰিজাল্টে ঘৰখনলৈ আনন্দৰ সোঁত বোৱাই আনিছিল। কিন্তু এইবাৰ আশা কৰামতে ফলাফল নোপোৱাত ঘৰখন যেন এটি বিষাদৰ সুৰ বিয়পি পৰিল। মাক-দেউতাক, আত্মীয়-স্বজনৰ পৰা তাই কিমান যে গালি শুনিব লগা হ'ল পৰৱৰ্তী শ্ৰেণীলৈ উৰ্ত্তীণ হ'ল যদিও তাই যেন বিধ্বস্ত হৈ পৰিল: এতিয়াহে তাইৰ চেত্না ঘূৰি আহিল। তাইতো কলেজলৈ ভালদৰে পঢ়ি ভাল ৰিজাল্ট এটা কৰিবলৈহে আহিছিল! অন্তৰৰ আহ্বান শুনি এনেদৰে ভাৱনাৰ সাগৰত উটি-ভাঁহি ফুৰিবলৈ, পঢ়া হানি কৰি ভাল লগা কামবোৰ কৰি মানুহ হোৱাৰ শিক্ষা ল'বলৈ অহা নাছিল। নাই, এইবোৰ এৰিব লাগিব, বাস্তৱৰ সৈতে মুখামুখি হোৱাৰ সাহস গোটাব লাগিব তাই। নিজকে নিয়ন্ত্ৰণ কৰিব লাগিব। তথাপি, তথাপি কিয় জানো বৰ কষ্ট হৈছে তাইৰ। নিজক আধুনিকতাৰ প্ৰলেপেৰে আৱৰি ৰাখিবলৈ গৈ এটা অপ্ৰকাশিত বেদনাই তাইক বোবা কৰি পেলাইছে চিঞৰি চিঞৰি কান্দিবৰ মন গৈছে তাইৰ। কিয়, কিয় বাৰু তাইক কোনেও নুবুজে? হৃদয়ৰ অনুভূতিবোৰক কিয় কোনেও গুৰুত্ব দিব নোখোজে বাৰু? নে তাইৰে ভুল হৈছে? তাই ভৱাৰ দৰে কথাবোৰ নহয় নেকি বাৰু? তাই নুবুজা হৈ যায়।এতিয়া তাই মনটো বহুতো সংযত কৰিব পাৰিছে। তাই যেন বুজি উঠিছে তাইৰ কতৰ্ব্যৰ কথা। মাক দেউতাকৰ প্ৰতি থকা দায়িত্বৰ কথা। সেয়ে তাই ঠিক কৰিছে, তাই প্ৰেক্‌টিকেল হ'ব। ভালকৈ পঢ়া-শুনা কৰিব। আকাশৰ শেষ সীমা স্পৰ্শ কৰাৰ সেই সপোনবোৰ বাস্তবায়িত কৰিব। জুইৰ ভস্মৰ পৰা পুনৰ জনম পোৱা ফিনিক্স পক্ষী হ'ব তাই। জীৱন সংগ্ৰামত যুঁজি যুঁজি ভাগৰুৱা হ'লে অকলশৰীয়া মুহূৰ্তত এদিন মানুহে নিশ্চয় হৃদয়ৰ আহ্বান শুনিব। পৃথিৱীখন তেতিয়া সৃষ্টিৰ সেউজ স্বপ্নৰ ৰঙেৰে ৰঞ্জিত হ'ব। সেই দিনটোলৈ তাই অধীৰ আগ্ৰহেৰে বাট চাই ৰৈছে। সঁচাকৈ আজি তাইৰ মনটো বহু মুকলি লাগিছে। আকাশলৈ চাই তাই যেন আহৰণ কৰিব বিচাৰিছে কিছু বিশ্বাস, কিছু প্ৰেৰণা। তাইৰ দেহ মনক ধুই নিকা কৰি যাবলৈ বৰষুণ এজাকৰ বৰ প্ৰয়োজন হৈছে.....................।



# প্ৰায়শ্চিত্ত

নিৰ্মল কুমাৰ গগৈ
